ভৌগোলিক সীমাৰ বাহিৰতেই হওক বা ভিতৰতেই হওক প্ৰতিষ্ঠান খনৰ নিৰ্দিষ্ট বছৰটোৰ উৎপাদনৰ মূল্য, নিৰ্দিষ্ট উৎপাদনৰ মূল্য হ্ৰাস বাদ দি আচল উৎপাদন ব্যয়।

সেয়ে ব্যক্তিগত বা ৰাজহুৱা খণ্ডৰ উদ্যোগৰ এটা নিৰ্দিষ্ট বছৰৰ মুঠ লাভ = উদ্যোগটোৰ নিৰ্দিষ্ট বছৰটোৰ উৎপাদন মূল্য + নিৰ্দিষ্ট বছৰটোত উদ্যোগটোৱে চৰকাৰৰ পৰা লাভ কৰা অৰ্থ সাহায্য – নিৰ্দিষ্ট বছৰটোত উদ্যোগটোৱে উৎপাদন বা বিক্ৰিৰ বাবে চৰকাৰৰ দিয়া পৰিশ্ৰমিক + সুদ + সাহায্য – নিৰ্দিষ্ট বছৰটোত উদ্যোগটোৱে ব্যৱহাৰ কৰা মধ্যৱৰ্তী সা-সৰঞ্জামৰ (input) মূল্য। উপৰুক্ত সমীকৰণটো মুক্ত অৰ্থনীতিৰ ক্ষেত্ৰটো প্ৰয়োগ কৰা হয়। মনকৰিবলগীয়া কথাটো হ'ল যে মুক্ত অৰ্থনীতিত কিছুমান মধ্যৱৰ্তী সা-সৰঞ্জাম (inputs) বিদেশৰ পৰাও আমদানি কৰিব পাৰে। একেদৰে ঘৰুৱা প্ৰতিষ্ঠানে ব্যৱহাৰ কৰা কিছুমান উৎপাদনৰ উপাদানৰ গৰাকী বিদেশৰ বাসিন্দাও হ'ব পাৰে।

সেয়ে এটা নিৰ্দিষ্ট বছৰৰ (GDP) ঘৰুৱা মুঠ উৎপাদন হ'ব ঃ-

GDP = এটা নিৰ্দিষ্ট বছৰৰ ভৌগোলিক সীমাৰেখাৰ ভিতৰৰ অৰ্থনীতিৰ সকলো ব্যক্তিগত আৰু ৰাজহুৱা খণ্ডৰ সৰ্বমুঠ লাভ + নিৰ্দিষ্ট বছৰটোত এই উদ্যোগ বিলাকে পৰিয়ালক (households) দিয়া বেতন + সুদ + খাজনা + নিৰ্দিষ্ট বছৰটোত দিয়া মুঠ আচল পৰোক্ষ কৰ + নিৰ্দিষ্ট বছৰটোত চৰকাৰী প্ৰশাসন আৰু নিৰ্দিষ্ট অৰ্থনীতিৰ প্ৰতিৰক্ষা বাবদ পৰিয়ালক দিয়া পাৰিশ্ৰমিক (wages) আৰু দৰমহা।

উপৰোক্ত সমীকৰণটো মুক্ত অৰ্থনীতিৰ ক্ষেত্ৰটো প্ৰযোজ্য হ'ব পাৰে। একমাত্ৰ পাৰ্থক্যটো হ'ল যে উপাদান লাভ কৰা অৰ এটা অংশ বিদেশী সকলকো দিব পাৰে।

## 2.14. ব্যয় পদ্ধতি (Expenditure Method) :

সকলো ঘৰুৱা ব্যক্তিগত আৰু ৰাজহুৱা উদ্যোগে একেলগে কৰা দ্ৰব্যৰ মুঠ জমা বৃদ্ধি হ'ব পাৰে কেৱল উৎপাদন বাবেই নহয় আমদানিৰ বাবেও হ'ব পাৰে। সেয়ে -এই উদ্যোগ বিলাকৰ মুঠ মূলধন জমালৈ অহা দ্ৰব্যবোৰ হ'ল এটা নিৰ্দিষ্ট সময়ৰ ভিতৰত উদ্যোগৰ চলিত উৎপাদন বা মুঠ GVA আৰু উদ্যোগ বিলাকে পোৱা সকলোধৰণৰ আমদানি এক নিৰ্দিষ্ট সময়ৰ ভিতৰত উদ্যোগ বিলাকে মুঠ আমদানিক CMF ৰ দ্বাৰা সূচক হয়। আনহাতেদি মূল্য হ্ৰাসক উপেক্ষা কৰি এই উদ্যোগ বিলাকে ঘৰুৱা পৰিয়াল, ঘৰুৱা চৰকাৰ আৰু বিদেশীক এক নিৰ্দিষ্ট সময়ত কৰা বিক্ৰী বাহিৰলৈ যোৱা দ্ৰব্যৰ (out flow) অন্তৰ্ভুক্ত হয়।

এতিয়া, ঘৰুৱা আৰু ৰাজহুৱা খণ্ডৰ উদ্যোগ বিলাকে একেলগে এক নিৰ্দিষ্ট সময়ত ঘৰুৱা পৰিয়ালক বিক্ৰি = $C+I_M-M_H$ ...............[1] = এক নিৰ্দিষ্ট সময়ৰ ভিতৰত ঘৰুৱা পৰিয়াল আৰু ঘৰুৱা আৰু ৰাজহুৱা খণ্ডৰ উদ্যোগ বিলাকে কৰা ক্ৰয়।

ইয়াত সমিকৰণ $(C+I_H)$ এ এটা নিৰ্দিষ্ট সময়ৰ ভিতৰত ঘৰুৱা পৰিয়ালে (Domestic household) ঘৰুৱা আৰু ৰাজহুৱা উদ্যোগ আৰু বিদেশীৰ পৰা কিনা মুঠ ক্ৰয়ক প্ৰতিনিধিত্ব কৰিছে আৰু $M_H$ এ এটা নিৰ্দিষ্ট সময়ৰ ভিতৰত ঘৰুৱা পৰিয়ালে বিদেশীৰ পৰা কিনা ক্ৰয়ৰ মূল্যক সূচাইছে। তদনুসাৰে এটা নিৰ্দিষ্ট সময়ৰ ভিতৰত ঘৰুৱা পৰিয়ালে ঘৰুৱা ব্যক্তিগত আৰু ৰাজহুৱা খণ্ডৰপৰা কিনা দ্ৰব্য আৰু সেৱাৰ মূল্য হ'ব $C+I_H-M_H$ ।


একেদৰে ঃ

এক নিৰ্দিষ্ট সময়ৰ ভিতৰত ঘৰুৱা ব্যক্তিগত আৰু ৰাজহুৱা খণ্ডৰ উদ্যোগ ঘৰুৱা চৰকাৰক কৰা বিক্ৰি = এক

নিৰ্দিষ্ট সময়ৰ ভিতৰত ঘৰুৱা চৰকাৰ আৰু ঘৰুৱা ব্যক্তিগত আৰু ৰাজহুৱা খণ্ডৰ উদ্যোগ কৰা ক্ৰয় = G- মজুৰি আৰু চৰকাৰী প্ৰশাসন আৰু প্ৰতিৰক্ষাৰ দৰমহা - $M_G$ ————— [2]

এতিয়া সমীকৰণ (২) ক ব্যাখ্যা কৰা হওক। 'G' W এক নিৰ্দিষ্ট সময়ৰ ভিতৰত চৰকাৰী প্ৰশাসন আৰু প্ৰতিৰক্ষাই ঘৰুৱা ব্যক্তিগত আৰু ৰাজহুৱা খণ্ডৰ উদ্যোগ আৰু বিদেশীৰ পৰা কৰা মুঠ ক্ৰয়ৰ মূল্য + চৰকাৰী প্ৰশাসন আৰু প্ৰতিৰক্ষাৰ মজুৰি আৰু দৰমহাক সূচাইছে। অন্যহাতেদি '$M_G$' W এটা নিৰ্দিষ্ট সময়ৰ ভিতৰত ঘৰুৱা চৰকাৰী প্ৰশাসন আৰু প্ৰতিৰক্ষাই বিদেশীৰ পৰা ক্ৰয় কৰা দ্ৰব্য আৰু সেৱাৰ মূল্যক প্ৰতিনিধিত্ব কৰিছে। সেয়ে ঘৰুৱা চৰকাৰী প্ৰশাসন আৰু প্ৰতিৰক্ষাই এটা নিৰ্দিষ্ট সময়ৰ ভিতৰত ঘৰুৱা ব্যক্তিগত আৰু ৰাজহুৱা খণ্ডৰ উদ্যোগৰ পৰা কিনা দ্ৰব্য আৰু সেৱাৰ মূল্য (G- ঘৰুৱা চৰকাৰী প্ৰশাসন আৰু প্ৰতিৰক্ষাৰ মজুৰি আৰু দৰমহা - $M_G$) ৰ দ্বাৰা প্ৰকাশ কৰা হয়। ঘৰুৱা অৰ্থনৈতিক এজেণ্টে বিদেশীক কৰা বিক্ৰি মাঠোন ৰপ্তানি যাক 'X' ৰ দ্বাৰা সূচোৱা হয়।

ঘৰুৱা ব্যক্তিগত আৰু ৰাজহুৱা খণ্ডৰ উদ্যোগৰ মুঠ কেপিটেল জমাৰ পৰা (out flow) লৈ হোৱা (in flow) তলৰ চিত্ৰৰ দ্বাৰা দেখুওৱা হয় -




এতিয়া স্পষ্ট হ'ল যে আৱন্তনিৰ পৰা শেষলৈ এটা নিৰ্দিষ্ট সময়ৰ ভিতৰত দেশখনৰ ভৌগোলিক সীমাৰ ভিতৰত ঘৰুৱা ব্যক্তিগত আৰু ৰাজহুৱা খণ্ডৰ উদ্যোগ বিলাকৰ সৰ্বমুঠ মূলধন জমাৰ মুঠ পৰিবৰ্তন $I_P$ ৰ দ্বাৰা বুজোৱা হয়। এতিয়া বুজা গ'ল যে এটা নিৰ্দিষ্ট সময়ৰ ভিতৰত সৰ্বমুঠ মূলধন জমালৈ মুঠ অন্তপ্ৰবাহ আৰু এটা নিৰ্দিষ্ট সময়ৰ ভিতৰত ক্ষয়ক্ষতি বাদ দি এই মূলধন জমালৈ হোৱা মুঠ বহিঃপ্ৰবাহৰ দ্বাৰা $I_P$ নিৰ্ধাৰণ কৰা হয়।

IP = [ নিৰ্দিষ্ট সময়ৰ সকলো ব্যক্তিগত আৰু ৰাজহুৱা খণ্ডৰ উদ্যোগৰ মুঠ

$GVA+M_P]-[(C+I_H-M_H)+(G-M_G)+X]+$ ঘৰুৱা চৰকাৰী প্ৰশাসন আৰু প্ৰতিৰক্ষাৰ মজুৰি আৰু দৰমহা --3

সমীকৰণ 3 ৰ পৰা পাব পাৰো যে -

(ব্যক্তিগত আৰু ৰাজহুৱা খণ্ডৰ উদ্যোগৰ মুঠ GVA+ চৰকাৰী প্ৰশাসন আৰু প্ৰতিৰক্ষাৰ মজুৰি আৰু দৰমহা)

$= C+(I_H+I_P)+G+X-(M_H+M_P+M_G)$

এনেদৰে অৰ্থনীতিয়ে আকৌ এইটো বুজায় যে ঃ-

GDP= সকলো ব্যক্তিগত আৰু ৰাজহুৱা খণ্ডৰ মুঠ GVA+ চৰকাৰী প্ৰশাসন আৰু প্ৰতিৰক্ষাৰ মজুৰি আৰু

দৰমহা

$= C+I+G+XM$ ..........................[3]

য'ত $M=M_F+M_H+M_G$ = অৰ্থনীতিৰ মুঠ আমদানি। সেয়ে ব্যয় প্ৰণালীত $GDP=C+I+G+X-M$

## 2.15. লেনদেনৰ সমতা (Balance of Payments) :

প্ৰতিখন দেশৰে লেনদেনৰ সমতাৰ (Balance of Payments) হিচাব থাকে। এখন দেশৰ এটা নিৰ্দিষ্ট ব লেনদেনৰ সমতাই বিদেশী সকলে ঘৰুৱা অৰ্থনৈতিক প্ৰতিনিধি সকলক দিয়া সকলো লেনদেন আৰু এটা নিৰ্দিষ্ট ব ঘৰুৱা অৰ্থনৈতিক প্ৰতিনিধি সকলে বিদেশী সকলক দিয়া সকলো লেনদেন নথিভুক্ত কৰে। ইয়াৰ দুটা ফাল (sid থাকে, জমাৰ ফাল আৰু খৰচৰ ফাল। বিদেশীসকলে ঘৰুৱা অৰ্থনৈতিক প্ৰতিনিধি সকলক দিয়া সকলো লেন জমাৰ ফালে নথিভুক্ত কৰা হয় আৰু ঘৰুৱা অৰ্থনৈতিক প্ৰতিনিধি সকলে বিদেশীক দিয়া সকলো লেনদেন খৰচৰ ফা নথিভুক্ত কৰা হয়।

প্ৰায় সকলো অৰ্থনীতিয়েই মুক্ত অৰ্থনীতি আৰু অন্য দেশৰ সৈতে বাণিজ্য আৰু ৰাজহত ব্যাপক লেন থাকে। মুক্ত অৰ্থনীতিয়ে দ্ৰব্য আৰু সেৱা লৈ লেনদেন কৰে বা ইজনে সিজনৰ অৰ্থনীতি বিনিয়োগ কৰি লেনদেন ক অন্য দেশৰ লগত বাণিজ্য বা ৰাজহত আবদ্ধ অৰ্থনীতিৰ (Closed Economic) কোনো লেনদেন নাথাকে। আজিক কোনো অৰ্থনীতিয়েই সম্পূৰ্ণ আবদ্ধ অৰ্থনীতি নহয়।

ঘৰুৱা অৰ্থনীতিৰ প্ৰতিনিধিক ঘৰুৱা মুদ্ৰা দিয়াৰ প্ৰয়োজন হয়। উদাহৰণস্বৰূপে ভাৰতত বাসকৰা এজন ভাৰতী টকাহে দিব লাগিব। কিন্তু যদি এজন আমেৰিকাৰ ভ্ৰমণকাৰী ভাৰতলৈ আহে আৰু তেওঁ ভ্ৰমণকৰা, থকা, খোৱাৰ বা ডলাৰ দিবলৈ চেষ্টা কৰে তেতিয়া তেওঁ ব্যৰ্থ হ'ব। কাৰণ প্ৰথমেই তেওঁ বিদেশী বিনিময় কেন্দ্ৰলৈ গৈ ডলাৰক টকা বিনিময় কৰিব লাগিব। যিহেতু ঘৰুৱা অৰ্থনীতিৰ প্ৰতিনিধিৰ লগত লেনদেনৰ বাবে ঘৰুৱা মুদ্ৰাহে গ্ৰহনীয় সেয়ে তেওঁলোক লগত লেনদেন কৰিবৰ বাবে বিদেশী সকলে প্ৰথমে তেওঁলোকৰ নিজৰ মুদ্ৰা বিক্ৰী কৰি ঘৰুৱা মুদ্ৰা কিনিব লাগি তদনুসাৰে লেনদেন সমতা হিচাব তিনিটা ভাগত ভাগ কৰা হয়। সেয়া হ'ল চলিত হিচাব (Current Account) বিত্তী হিচাব (financial account) আৰু মূলধন হিচাব (Capital Account)

## 2.16. চলিত হিচাব (Current Account) :

এখন দেশৰ চলিত হিচাবত দ্ৰব্য আৰু সেৱা আৰু একপক্ষীয় বদলিৰ লগত জড়িত ব্যৱসায়ৰ সকলো লেনদে অন্তৰ্ভুক্ত হয়। সেৱা লেনদেনত ভ্ৰমণ আৰু পৰিবহন খৰচ, বীমা, আয় আৰু বিদেশী বিনিয়োগ লেনদেন আদি অন্তৰ্ভু হয়। বদলি লেনদেনে উপহাৰ, বিদেশী সাহায্য, পেঞ্চন, ব্যক্তিগত প্ৰেৰিত ধন, বিদেশী ব্যক্তি আৰু চৰকাৰৰ প বিদেশী সকললৈ দিয়া দানশীল বৰঙণি জড়িত হৈ থাকে।

চলিত হিচাবত (current account) পণ্যদ্ৰব্য আমদানি আৰু ৰপ্তানি অতি আৱশ্যকীয় বস্তু (item)। ইয়া ৰপ্তানি বস্তুক ইতিবাচক বস্তু হিচাবে দেখুওৱা হয় আৰু মুক্ত পৰিবহনত (FOB) গণনা কৰা হয় অৰ্থাৎ পৰিবহন, বীম আদিৰ খৰচ অন্তৰ্ভুক্ত কৰা নহয়। অন্যহাতে আমদানি বস্তুক নেতিবাচক বস্তু হিচাবে দেখুওৱা হয় আৰু ইয়াৰ গণনা কৰ হয় অৰ্থাৎ পৰিবহন, বীমা আৰু মালৰ ভাড়া অন্তৰ্ভুক্ত কৰা হয়।